Ajir Dainik Batori

# কানাড়া এইচ এছ্ বি চি অৰিয়েণ্টেল বেংক অৱ কমাৰ্চ লাইফ ইন্স্যুৰেঞ্চৰ স্মাৰ্ট সঞ্চয় প্লেন মুকলি

গুৱাহাটী, ১৩ ছেপ্টেম্বৰ ঃ ভাৰতৰ দুটা অন্যতম বৃহৎ ৰাজহুৱা খণ্ডৰ বেংক প্ৰতিষ্ঠান কানাড়া বেংক তথা অ'ৰিয়েণ্টেল বেংক অৱ কমাৰ্চৰ স'তে এইচ এছ বি চি ইন্সিউৰেঞ্চ (এছিয়া-পেচিফিক) হ'ল্ডিংছ লিমিটেডৰ যুটীয়া যাত্ৰা কানাড়া এইচ এছ বি চি অ'ৰিয়েণ্টেল বেংক অৱ কমাৰ্চ লাইফ ইন্সিউৰেঞ্চ কোম্পানী লিমিটেড নামৰ সংস্থাটোৱে আজি নিজৰ স্মাৰ্ট ছ'লিউচনৰ অংশ হিচাপে গ্ৰাহকসকলক উন্নত মূল্য উপলব্ধ কৰোৱা প্ৰ'ডাক্ট উৎপাদনৰ পৰম্পৰা অটুট ৰাখি এক পৰম্পৰাগত সামূহিক সুৰক্ষাৰ লগতে ৰাহি উৎপাদনৰ আৰ্হিত স্মাৰ্ট সঞ্চয় প্লেন আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। এই স্মাৰ্ট সঞ্চয় প্লেন বিতৰক বেংকৰ ডিপ'জিট একাউণ্ট হ'ল্ডাৰসকলৰ বাবে প্ৰস্তুত কৰা হৈছে আৰু ই প্ৰতিষ্ঠানটোৰ বেংক এছিউৰেঞ্চ মডেলৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা হৈছে। এই প্লেন নতুন জমাকৰ্তাসকলৰ লগতে পূৰ্বৰ গ্ৰাহকসকলৰ বাবে উপলব্ধ। নতুন গ্ৰাহকসকলৰ একাউণ্ট খোলা সময়ত তথা পূৰ্বৰ গ্ৰাহকসকলে মাত্ৰ নামভৰ্তিৰ দ্বাৰাই ইয়াৰ সুবিধা গ্ৰহণ কৰিব পাৰিব। এই প্লেনে লাইফ কাভাৰ আৰু এক্সিডেণ্ট প্ৰটেকছনৰ লগতে নিশ্চিত লাভৰ উপলব্ধতাও কৰোৱাব। মেছিউৰিটী লাভ নিশ্চিত আৰু এই নিবেশ কৰা প্ৰিমিয়ামৰ ৪ শতাংশ (কাৰেণ্ট ৰেট অৱ ইণ্টাৰেষ্টৰ সমতুল্য)। প্ৰিমিয়াম ধন একাউণ্ট হ'ল্ডাৰৰ একাউণ্টৰ পৰা কাটি ৰখা হয়। নতুন প্লেন আগবঢ়াই কানাড়া এইচ এছ বি চি অ'ৰিয়েণ্টেল বেংক অৱ কমাৰ্চ লাইফ ইন্সিউৰেঞ্চ কোম্পানীৰ সঞ্চালক— ছেলছ, মাৰ্কেটিং এণ্ড প্ৰ'ডাক্টছ মেৰিঅ' পেৰেজে কয় যে কানাড়া এইচ এছ বি চি অৰিয়েণ্টেল বেংক অৱ কমাৰ্চ লাইফ ইন্সিউৰেঞ্চ কোম্পানীৰ সকলো প্ৰডাক্ট গ্ৰাহকৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত প্ৰস্তুত কৰা আৰু এই গ্ৰাহক অনুসন্ধানৰ জৰিয়তে উপলব্ধ। এই যোজনাৰ অধীনত বেংকৰ গ্ৰাহকসকলে নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ আৱশ্যকতা নিম্নতম বাৰ্ষিক প্ৰিমিয়ামৰ মাত্ৰ ৬০০০/- টকাৰ বিনিময়ত লাভ কৰিব পাৰে। তদুপৰি ই গ্ৰাহকসকলৰ সঞ্চয় তথা সুৰক্ষাৰ আৱশ্যকতাও পূৰণ কৰে। ই অতি সৰল, মাত্ৰ তিনিটা তৰপৰ মাজেৰে ইয়াক সম্পাদন কৰিব পাৰি। উল্লেখ্য যে গ্ৰুপ ইন্সিউৰেঞ্চ প্ৰ'ডাক্ট— স্মাৰ্ট সঞ্চয় বেংকৰ যিকোনো কৰ্মচাৰীয়ে উপলব্ধ কৰোৱাব পাৰে। আৰম্ভণিতে ই কানাড়া বেংক, অৰিয়েণ্টেল বেংক অৱ কমাৰ্চ, প্ৰগতি গ্ৰামীণ বেংক, শ্ৰেয়স গ্ৰামীণ বেংক আৰু ছাউথ মালাবাৰ গ্ৰামীণ বেংকৰ সকলো শাখাত উপলব্ধ হ'ব।